**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-10-2026
**Time :** 1910 Hrs

# ASSAMESE EVEN BULLETIN
# HEADLINES

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণৰ আস্থা আৰু লাখ লাখ দলীয় কৰ্মীৰ নিষ্ঠা তেওঁৰ শক্তিৰ উৎস বুলি প্ৰকাশ কৰিছে।

২। জাপান, নাইজেৰিয়া, ডমিনিকা আৰু বেলজিয়ামৰ নেতাসকলে নিষ্ঠাপূৰ্ণ ৰাজহুৱা সেৱাত ২৫ বছৰ সম্পূৰ্ণ কৰাৰ বাবে প্ৰধানমন্ত্ৰীক অভিনন্দন জ্ঞাপন কৰিছে।

৩। কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে সম্প্ৰতি মহিলাসকলে ৰাষ্ট্ৰৰ উন্নয়ন যাত্ৰা গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলি প্ৰকাশ কৰিছে।

৪। ফ্ৰান্সৰ হেনৰী বি কাগান আৰু জাপানৰ কেন্সো ছোৱাইলৈ ২০২৬ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছে।

*আৰু*

৫। ভাৰতৰ কৃষ্ণ প্ৰসাদ গৰাগা আৰু পৃথ্বি কৃষ্ণমূৰ্তি ৰয়ৰ যুটীটোৱে আৰ্কটিক অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণৰ আস্থা আৰু লাখ লাখ দলীয় কৰ্মীৰ নিষ্ঠা তেওঁৰ শক্তিৰ উৎস বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি বিকশিত ভাৰত সংকল্প সভাত ভাষণ দি শ্ৰী মোদীয়ে কয়, যে তেওঁ আজি পুৱা শ্ৰী বিনায়ক মন্দিৰ দৰ্শন কৰি নিষ্ঠাৰে নিৰন্তৰ জনসাধাৰণৰ বাবে সেৱা কৰি যাব পৰাকৈ ভগৱানক বল আৰু শক্তি প্ৰদান কৰিবলৈ প্ৰাৰ্থনা জনায়। প্ৰধানমন্ত্ৰীয়ে কয়, যে বিগত ২৫ বছৰত লাভ কৰা জনসাধাৰণৰ আস্থা আৰু এই সময়ছোৱাত লাভ কৰা অভিজ্ঞতা হৈছে বৃহৎ সম্পত্তি। শ্ৰী মোদীয়ে দেশৰ বাবে বৃহৎ লক্ষ্য নিৰ্ধাৰণৰ এয়াই সময় বুলি উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ২০০১ চনৰ ৭ অক্টোবৰত গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণৰ সময়ত তেওঁ কেতিয়াও এনেধৰণৰ মাইলৰ খুঁটিত উপনীত হোৱাৰ কল্পনা কৰা নাছিল। প্ৰধানমন্ত্ৰী মোদীয়ে গণতন্ত্ৰৰ ওপৰত অপৰিসীম বিশ্বাস ৰখা দেশৰ জনসাধাৰণ, দল তথা সকলো ৰাজনৈতিক সহযোগীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ মুৰব্বী হিচাপে ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে নতুন দিল্লীত অনুষ্ঠিত বিকশিত ভাৰত সংকল্প সভাত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা বিজেপিৰ নেতা-কৰ্মীসকলে ভাৰ্চুৱেল ব্যৱস্থাৰে অংশ লয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াকে ধৰি কেইবাগৰাকীও বিধায়কে গুৱাহাটীৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে বিকশিত ভাৰত সংকল্প সভাত অংশগ্ৰহণ কৰে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসেৱাৰ জৰিয়তে দেশ সেৱাৰ লক্ষ্যৰে ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত ২৫ বছৰ সফলতাৰে সম্পূৰ্ণ কৰিছে আৰু সম্পূৰ্ণ দায়বদ্ধতাৰে এই সেৱা অব্যাহত ৰাখিছে। সেৱা আৰু সুশাসনৰ লক্ষ্যৰে চৰকাৰে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নিৰন্তৰ কাম কৰি আছে। সৰ্বাত্মক বিকাশ আৰু সামাজিক সবলীকৰণৰ জৰিয়তে চৰকাৰৰ এই নিষ্ঠাপূৰ্ণ সেৱাই জনসাধাৰণৰ জীৱনত ৰূপান্তৰ সাধন কৰিবলৈ সমৰ্থ হৈছে। এই শৃংখলাত আজি আন্তঃৰাষ্ট্ৰীয় সৌৰ সহযোগিতা পদক্ষেপৰ জৰিয়তে কিদৰে চৰকাৰে ৰূপান্তৰৰ দিশে গতি কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত গুৰুত্ব লাভ কৰিছে। সেই বিষয়ে প্ৰচাৰ কৰিবলৈ লোৱা হৈছে।

২০১৫ চনৰ নৱেম্বৰত ভাৰত আৰু ফ্ৰান্সে যৌথভাৱে ৰাষ্ট্ৰসংঘৰ জলবায়ু বিষয়ত সন্মিলনত আন্তঃৰাষ্ট্ৰীয় সৌৰ সহযোগিতা অৰ্থাৎ আই এছ্ এ আৰম্ভ কৰিছিল। গোলকীয় আন্তঃচৰকাৰী এই সংস্থাটো সৌৰশক্তিক শক্তিৰ মাধ্যম হিচাপে গ্ৰহণ কৰাৰ লগতে শক্তি সুৰক্ষা আৰু বহনক্ষম উন্নয়নৰ দিশত উৎসৰ্গিত। সৌৰ শক্তি ব্যৱহাৰৰ দ্বাৰা জলবায়ু পৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা সমস্যাসমূহ সমাধানৰ বাবে আন্তঃৰাষ্ট্ৰীয় সৌৰ সহযোগিতাৰ জৰিয়তে সমন্বিত প্ৰচেষ্টা গ্ৰহণৰ প্ৰয়াস কৰা হয়। সম্প্ৰতি আই এছ্ এ ১২৯ খন ৰাষ্ট্ৰৰ অংশগ্ৰহণেৰে সৌৰ সহযোগিতাৰ গোলকীয় মঞ্চ হিচাপে পৰিগণিত হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিছত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ জলবায়ু বিষয়ক সন্মিলনত সহ অধ্যক্ষতা কৰি দিয়া ভাষণত এই সহযোগিতাই সৌৰ শক্তিক সুলভ, নিৰ্ভৰযোগ্য আৰু সহজলভ্য কৰাৰ বাবে লক্ষ্য স্থিৰ কৰা হৈছে বুলি উল্লেখ কৰিছিল।

বাইট-মোদী

উল্লেখযোগ্য যে এই সহযোগিতাই শক্তিৰ বহনক্ষম ভৱিষ্যতৰ ৰূপান্তৰ সাধনৰ প্ৰচেষ্টাক প্ৰতিনিধিত্ব কৰিছে। ভাৰতে নেতৃত্ব দিয়া এই প্ৰচেষ্টাৰ জৰিয়তে শক্তি আহৰণ সহজলভ্য কৰাৰ উপৰি গোলকীয় প্ৰেক্ষাপটত কাৰ্বন নিৰ্গমন হ্ৰাসকৰণৰ বাবেও চেষ্টা চলোৱা হৈছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰকাৰৰ মুৰব্বী হিচাপে ২৫ বছৰ বিৰামহীনভাৱে ৰাজহুৱা সেৱা সম্পূৰ্ণ কৰিছে। জাপান, নাইজেৰিয়া, ডমিনিকা আৰু বেলজিয়ামৰ নেতাসকলে এই মাইলৰ খুঁটি প্ৰাপ্ত কৰাৰ বাবে তেওঁক অভিনন্দন জ্ঞাপন কৰিছে। জাপানৰ প্ৰধানমন্ত্ৰী ছানাই টাকাইছিয়ে ভাৰতৰ উন্নয়নত নেতৃত্ব আৰু অৱদানৰ প্ৰশংসা কৰি কয় যে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ই ভাৰতৰ স্থিতি শক্তিশালী কৰিছে।

বেলজিয়ামৰ প্ৰধানমন্ত্ৰী বাৰ্ট ডি ৱেভাৰে ২৫ বছৰীয়া নিৰৱছিন্ন নেতৃত্বৰ বাবে প্ৰধানমন্ত্ৰী মোদীক অভিনন্দন জনায় আৰু ভাৰত তথা বেলজিয়ামৰ মাজত অংশীদাৰিত্ব অধিক গভীৰ কৰাৰ বাবে প্ৰস্তুতিৰ বিষয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে তেওঁৰ শেহতীয়া ভাৰত ভ্ৰমণ ফলপ্ৰসূ বুলি কয়।

নাইজেৰিয়াৰ ৰাষ্ট্ৰপতি ব'লা আহমেদ টিমুবুৱে ২৫ বছৰীয়া বিৰামহীন নেতৃত্বক যিকোনো গণতন্ত্ৰৰ বিৰল সাফল্য বুলি উল্লেখ কৰি কয় যে ইয়াৰ জৰিয়তে প্ৰধানমন্ত্ৰীৰ প্ৰতি ভাৰতৰ জনসাধাৰণৰ স্থায়ী আস্থা প্ৰতিফলিত হৈছে। ডমিনিকাৰ প্ৰধানমন্ত্ৰী ৰুজভেল্ট স্কেৰিটেও প্ৰধানমন্ত্ৰী মোদীক অভিনন্দন জনোৱাৰ লগতে ডমিনিকাৰ সৈতে থকা বন্ধুত্বৰ বাবে তেওঁৰ প্ৰশংসা কৰে। দুয়োখন দেশৰ মাজৰ সম্পৰ্ক অধিক সুদৃঢ় হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰাৰ লগতে প্ৰধানমন্ত্ৰী মোদীৰ সুস্বাস্থ্য, শক্তি আৰু ভাৰতৰ জনসাধাৰণৰ প্ৰতি তেওঁ কৰি যোৱা সেৱাৰ নিৰন্তৰ সফলতা কামনা কৰে।

০০০

কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে সম্প্ৰতি মহিলাসকলে ৰাষ্ট্ৰৰ উন্নয়ন যাত্ৰা গঢ় দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি সুৰক্ষা বিষয়াসকলৰ ৰাষ্ট্ৰীয়

সন্মিলনত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয় যে দেশৰ মাতৃ, ভগ্নী আৰু কন্যাসকল সবল আৰু সুৰক্ষিত হ'লেহে উন্নত ভাৰতৰ সংকল্প বাস্তৱায়িত কৰিব পৰা যাব। মহিলাসকলৰ মাজত সুৰক্ষা আৰু মৰ্যাদাৰ মনোভাৱ গঢ়ি তোলাটো চৰকাৰৰ প্ৰথম অগ্ৰাধিকাৰ বুলি উল্লেখ কৰি অন্নপূৰ্ণা দেৱীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মহিলাৰ শক্তিৰ মাজত দেশৰ শক্তি নিহিত হৈ আছে বুলি দৃঢ়ভাৱে বিশ্বাস কৰে। প্ৰতিটো পৰিয়ালৰ নিৰাপত্তা আৰু অপৰাধৰ বলি হোৱা প্ৰতিগৰাকীৰ লোকক ক্ষিপ্ৰ ন্যায় প্ৰদান নিশ্চিত কৰাটো চৰকাৰৰ উমৈহতীয়া লক্ষ্য বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০

ফ্ৰান্সৰ হেনৰী বি কাগান আৰু জাপানৰ কেন্সো ছোৱাইলৈ ২০২৬ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছে। ৰয়েল ছুইডিছ একাডেমী অব ছায়েন্সে আজি প্ৰকাশ কৰা মতে অ-সমমিত জৈৱ সংশ্লেষণত অবৈখিক প্ৰভাৱ আৰু স্বানুঘটন আৱিস্কাৰৰ বাবে ৰসায়ন বিজ্ঞানী দুগৰাকীলৈ এই সন্মান আগবঢ়োৱা হৈছে।  স্বতঃস্ফুৰ্তভাৱে পাৰমানবিক অপ্ৰতিসমতা অথবা সমৰূপ গঠনৰ ৰহস্য ভেদ কৰাৰ বাবে বিজ্ঞানী দুগৰাকীক এই সন্মানেৰে বিভূষিত কৰা হৈছে। এমিনʼ এচিডকে ধৰি ভালেমান যৌগ দ্বৈত দাপোণ প্ৰতিৰিম্বৰ ৰূপত পোৱা যায়। বিজ্ঞানীদ্বয়ে কোনো ৰাসায়নিক প্ৰক্ৰিয়াৰ সময়ত দাপোণ প্ৰতিৰিম্বৰ দৰে একে ধৰণৰ দুটা অনুৰ মাজৰ পৰা এক প্ৰকাৰৰ অনুহে কিদৰে গঠন হয় সেই ৰহস্য ভেদ কৰিবলৈ সমৰ্থ হৈছে। এই আৱিস্কাৰে ঔষধসহ ভালেমান ৰসায়ন প্ৰস্তুত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। শ্ৰীহেনৰীয়ে ১৯৮৬ চনত ৰাসায়নিক বিক্ৰিয়া নিয়ন্ত্ৰণ কৰাৰ নতুন উপায় আৱিস্কাৰ কৰিছিল। ইয়াৰ জৰিয়তে দাপোণ প্ৰতিৰিম্বৰ ভিতৰত এটা প্ৰকাৰহে গঠন কৰাৰ পথ প্ৰশস্ত হৈছিল। বিজ্ঞানীগৰাকীৰ এই আৱিস্কাৰে আধুনিক ৰসায়ন বিজ্ঞানত বিশেষকৈ ভেষজ খণ্ডত ৰূপান্তৰৰ সূচনা কৰিছে আৰু ইয়াৰ ফলত ঔষধ, সুগন্ধি আৰু নতুন সামগ্ৰী প্ৰস্তুত কৰাৰ বাবে ৰাসায়নিক বিক্ৰিয়া বিকশাই তুলিব পৰা হৈছে।

শ্ৰীকেন্সোই এই কাম আগুৱাই নিছে। বিজ্ঞানীগৰাকীৰ সম্ভাব্য দাপোণ প্ৰতিৰিম্বৰ ভিতৰত একপ্ৰকাৰৰ প্ৰতিৰিম্বহে গঠন হোৱা ৰাসায়নিক বিক্ৰিয়া বিকশাই তুলিছে। তেওঁৰ এই প্ৰক্ৰিয়াৰ জৰিয়তে গঠন হোৱা অনুসমূহে ভৱিষ্যতে একে ধৰণৰ অনু গঠনত সহায় কৰে।

০০০

ভাৰতৰ কৃষ্ণ প্ৰসাদ গৰাগা আৰু পৃথ্বি কৃষ্ণমুৰ্তি ৰয়ৰ যুটীটোৱে ফিনলেণ্ডত অনুষ্ঠিত আৰ্কটিক অʼপেন ছুপাৰ ফাইভ হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটীটোৱে আজি অনুষ্ঠিত প্ৰথম ৰাউণ্ডৰ এখন ৰোমাঞ্চকৰ খেলত চীনৰ পঞ্চম বাছনিপ্ৰাপ্ত জি টিং আৰু ৰেন শ্বিয়াং য়ুক ১০-২১, ২১-১৮, ২২-২০ গেমত পৰাস্ত কৰে। মহিলাৰ ছিংগলছত অলিম্পিকত দুবাৰ পদক বিজয়ী পি ভি সিন্ধুৱে কানাডাৰ ৰেন য়ু ঝাঙক ২১-৮, ২১-১১ পোনপটীয়া গেমত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। তন্‌ভী শৰ্মাইও টাইৱানৰ ছিউ পিং শ্বিয়ানক ২১-১৫, ২১-১৭ গেমত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। অৱশ্যে ঈশাৰাণী বৰুৱা থাইলেণ্ডৰ ৰাট্‌ছানʼক ইণ্টানʼনৰ হাতত ১০-২১, ১৫-২১ গেমত পৰাভূত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়। উন্নতি হুদা, অস্মিতা চলিহা আৰু মালবিকা বনছʼৰেও প্ৰথম ৰাউণ্ডৰ পৰাই বিদায় লয়।

০০০

সমাপ্ত